# ত্ৰয়োদশ অধ্যায়
# সাজ-পোছাকৰ নিৰ্বাচনত প্ৰভাৱ পেলোৱা কাৰকসমূহ
# (Factors Influence on Selection of clothes)

## ১৩.১ পাতনি (Introduction) ঃ

ব্যক্তিয়ে পৰিধান কৰা পোছাকযোৰৰ যোগেদি তেওঁৰ ৰুচি আৰু ব্যক্তিত্ব প্ৰকাশ পায়। আগৰ পাঠত পাই আহিছা যে কলাৰ উপাদানসমূহ নীতি অনুসৰি প্ৰযোগ কৰি কাপোৰখন সুন্দৰ আকৰ্ষণীয় কৰি তুলিব পাৰি; ধৰা, তোমাৰ বন্ধুৰ বহুত কাপোৰ আছে, কিন্তু ক'ৰবাত যোৱাৰ সময়ত পিন্ধিবলৈ কাপোৰ বিচাৰি নাপায়। যদিও তাইৰ বহুত কাপোৰ আছে সেই কাপোৰ 'সময়' আৰু উৎসৱ অনুযায়ী পিন্ধিব পৰা বিধৰ নহয়, তাইৰ গাৰ ৰঙৰ লগত মিলা নহয় ইত্যাদি। সেয়েহে কাপোৰ বা পোছাক নিৰ্বাচনৰ জ্ঞান সকলোৰে প্ৰয়োজন।

এই পাঠটিত সেই দিশবোৰৰ বিষয়ে সামৰি লোৱা হৈছে, আৰু পাঠটি পঢ়াৰ পাছত তলত দিয়া দিশবোৰ জানিবলৈ সক্ষম হ'বা।

- পোছাক নিৰ্বাচনৰ সময়ত বিবেচনা কৰা দিশসমূহ— ব্যক্তিত্ব
- বয়স আৰু ঋতু
- জীৱিকা বা বৃত্তি ইত্যাদি।
- দেহৰ গঠন, ফেশ্বন, সময়

**(ক) ব্যক্তিত্ব (Personality) ঃ** পোছাক নিৰ্বাচন কৰোতে সদায় সাৱধান হব লাগে যাতে আমি ব্যয় কৰা টকাৰ বিনিময়ত আমাৰ মনে বিছৰা কাপোৰ বা পোছাক পাব পাৰো। এজন ব্যক্তিৰ ৰুচি, মূল্যবোধ আৰু সংস্কাৰ, তেওঁ পৰিধান কৰা পোছাকযোৰত প্ৰকাশ পায়। যেনে— যিসকল লোক অন্তৰ্মুখী, (Introvent) লাজকুৰীয়া স্বভাৱৰ, তেওঁলোক পাতল, শীতল ৰঙৰ পোছাক, আনহাতে বহিৰ্মুখী স্বভাৱৰ লোকসকলে উজ্জ্বল, উষ্ণ, জাকজমকীয়া পোছাক বিচাৰে। সঠিক পোছাকৰ যোগেদি ব্যক্তিৰ আত্মবিশ্বাস বঢ়াই তুলিব পাৰি।

**(খ) বয়স (Age) ঃ** পোছাক নিৰ্বাচন কৰোতে বয়সৰ কথা বিবেচনা কৰিব লাগে। এটা নৱজাত শিশু জন্মৰ পৰা ৬-৭ মাহ পৰ্যন্ত বেছিভাগ সময় শুই থাকে। সেয়েহে শিশুটিৰ পোছাক ঢিলা, আৰামদায়ক হোৱা দৰকাৰ আৰু পোছাকৰ কাপোৰ কোমল, মিহি, গাৰ ঘাম শুহিব পৰা হ'ব লাগে। ইয়াৰ উপৰিও সহজে খুলিব পৰা, বুটাম লগোৱাৰ পৰিবৰ্তে ফিটা লগোৱা হোৱাটো বাঞ্ছনীয়। শিশুটি যেতিয়া খোজ কাঢ়িব পৰা হয়, তেতিয়াৰে পৰা শিশুক এনে পোছাক দিব লাগে যাৰ চিলনি দৃঢ়, সহজে ধুব পৰা, সহজে নষ্ট নোহোৱা, গাত খাপ খাই পৰা অৰ্থাৎ বেছি দীঘল বা চুটি, ঢিলা বা টান হ'ব নালাগে। ২-৬ বছৰ বয়সৰ শিশুৰ পোছাক

এনে হ'ব লাগে যাতে শিশুটিয়ে নিজে খুলিব বা পিন্ধিব পাৰে। এনে ধৰণৰ পোছাকে শিশুটিৰ নিজৰ ওপৰত বিশ্বাস জন্মোৱাত সহায়ক হয়। এইদৰেই বিভিন্ন বয়সৰ বাবে বিভিন্ন ধৰণৰ পোছাক নিৰ্বাচন কৰাটো প্ৰয়োজন।

**(গ) ঋতু (Season) :** বছৰৰ বিভিন্ন ঋতুত পৰিৱেশৰ উত্তাপৰ তাৰতম্য ঘটে। ইয়াৰ লগত মানুহৰ দেহৰ সম্পৰ্ক আছে। মানুহে বস্ত্ৰ পৰিধান কৰাৰ এটা কাৰণ হ'ল দেহটো উষ্ণ (গৰম) শীত (ঠাণ্ডা)-ৰ পৰা ৰক্ষা কৰা। সেয়েহে কাপোৰ নিৰ্বাচন কৰোঁতে ঋতুৰ কথা বিবেচনা কৰিব লাগে।

শীতৰ দিনত উষ্ণ, ডাঠ, উজ্জ্বল ৰঙ, আনহাতে গৰমৰ দিনত শীতল, কোমল, পাতল ৰঙৰ কাপোৰ উপযোগী। আকৌ বৰষুণৰ দিনত এনে কাপোৰ হ'ব লাগে যি পানী শুহিব নোৱাৰে আৰু সহজে সেঁতসেঁতীয়া নহয়। উদাহৰণ স্বৰূপে কৃত্ৰিম সূতাৰ কাপোৰ, ঠাণ্ডাৰ দিনত পাট, এৰি, মুগা সূতাৰ কাপোৰ আনহাতে গৰমৰ দিনত নিলেন কপাহী কাপোৰ উপযোগী।

**(ঘ) জীবিকা বা বৃত্তি (Oceupation) :** ব্যক্তিৰ জীবিকা অনুযায়ী পোছাকৰ কাপোৰ ভিন্ন, ভিন্ন হয়। বিজ্ঞ ব্যক্তি, শাৰীৰিক শিক্ষাৰ প্ৰশিক্ষক, তেওঁৰ পোছাকবোৰ ঢিলা, আৰামদায়ক হোৱাটো বাঞ্ছনীয়, যাতে তেওঁ প্ৰশিক্ষণ দিওঁতে অসুবিধা অনুভৱ নকৰে। এজন কৃষকৰ কাপোৰ ডাঠ-পিঠ সহজে নষ্ট নোহোৱা দৃঢ় সূতাৰে তৈয়াৰী হোৱাটো বাঞ্ছনীয়। খেলুৱৈসকলৰ পোছাকবোৰ সহজে ঘাম শুহিব পৰা, নষ্ট নোহোৱা হ'ব লাগে। সেইদৰে উদ্যোগত কাম কৰা শ্ৰমিক, সৈনিক পুলিচ, খনিত কাম কৰা লোকৰ নিৰ্দিষ্ট পোছাক আছে যিবোৰ বেছ দৃঢ়, সহজে নষ্ট নোহোৱা কাপোৰেৰে তৈয়াৰী। সেয়েহে পোছাক নিৰ্বাচন কৰোঁতে ব্যক্তিৰ বৃত্তিৰ দিশটো বিবেচনা কৰিব লাগে।

**(ঙ) দেহৰ গঠন (Physical Structure) :** যেনে প্ৰত্যেক ব্যক্তিৰ এটা নিৰ্দিষ্ট দেহৰ গঠন থাকে। যেনে ওখ-চাপৰ, শকত-ক্ষীণ, স্বাভাবিক উচ্চতা, গঠন ইত্যাদি। পোছাকবোৰ নিৰ্বাচন কৰোঁতে কাৰ বাবে কৰা হৈছে, তেওঁৰ দেহৰ লগত ভালকৈ খাপ খায় নে নেখায়, দেখাত সুন্দৰ হয়নে নহয় চাব লাগে। পোছাকৰ সঠিক ৰঙ আৰু নক্সাৰ দ্বাৰা এজন ব্যক্তিৰ দেহ গঠনৰ ত্ৰুটিবোৰ সুন্দৰকৈ আকৰ্ষণীয় ৰূপত দাঙি ধৰিব পাৰি। উদাহৰণ স্বৰূপে এজন চাপৰ, শকত ব্যক্তি ওখ, ক্ষীণ দেখাবৰ বাবে একে ৰঙৰ দীঘ বা দীঘল ৰেখাৰ বা প্ৰিন্টৰ পোছাক পিন্ধাৰ প্ৰয়োজন, আৰু ক্ষীণ ওখ মানুহ এজনক ওখ, শকত দেখাবৰ বাবে সৰল ৰেখাৰ বা প্ৰিন্টৰ দুটা বা তিনিটা ৰঙৰ পোছাক যেনে— পাতল ৰঙৰ চেলোৱাৰৰ লগত ক'লা বা ডাঠ ৰঙৰ, ৰেখা থকা প্ৰিন্টৰ কুৰ্তা পৰিধান কৰিব পাৰে। তেনে ব্যক্তিৰ বাবে প্ৰস্তুত কৰা পোছাকত ফ্ৰিল আদি ব্যৱহাৰ কৰিব পাৰি। ওখ পাখ, শকত মানুহে কেতিয়াও পাতল, ঢিলা পোছাক পৰিধান কৰিব নালাগে। এইদৰেই বিভিন্ন দেহৰ গঠনৰ বাবে বিভিন্ন পোছাক পৰিধান কৰাটো প্ৰয়োজন।

**চ) সময় সাপেক্ষে পোছাক (Clothing For Occasion) :** পোছাক নিৰ্বাচন কৰোঁতে সময় অনুসৰি কৰাটো বাঞ্ছনীয়। কিছুমান বিশেষ অনুষ্ঠান, উৎসৱ, বিয়া, জন্মদিনৰ পাৰ্টি আদিত পৰিধান কৰা পোছাক বোৰ সচৰাচৰ পোছাকতকৈ বেলেগ হয়। এনে অনুষ্ঠান সমূহত সাধাৰণতে ব্ৰকেড, বানাৰসী বা অইন পাটৰ কাৰু উজ্জ্বল ৰঙৰ পোছাক, আনহাতে পূজা, নাম সকাম আদিত পাতল ৰঙৰ, বগা বা ক'লা ৰঙৰ পোছাক বা কাপোৰ উপযোগী। সঘনে ঘূৰিফুৰা, যান বাহন চলোৱা কামৰ বাবে সহজে পিন্ধিব পৰা, দেহত খাপ খোৱা, যতন ল'ব পৰা পোছাক বেছি কামত আহে।

**(ছ) ফেশ্বন (Fashion) ঃ** কাপোৰ বা পোছাক নিৰ্বাচন কৰোতে সেই সময়ত যি ৰঙ, ডিজাইন, প্ৰিন্টৰ পোছাক চলি থাকে সেই দিশটো মন কৰিব লাগে। কিয়নো যিটো সময়ত যেনে ফেশ্বনৰ পোছাক চলে, তেনে ধৰণৰ পোছাক পৰিধান কৰিলে মনত আনন্দ লাগে, সমনিয়াৰ লগত মিলিবলৈ ভাল হয়। ফেশ্বন, সময়ে সময়ে সলনি হৈ থাকে অৰ্থাৎ আহে আৰু যায়। তোমালোকে নিজৰ পোছাক কিনোতে এই দিশটো মন কৰানে? নিশ্চয় কৰা, কাৰণ চলি থকা ফেশ্বনৰ পোছাক পিন্ধিলে মনটো ভাল লাগে লগতে নিজকে স্মাৰ্ট অনুভৱ কৰিব পাৰি।

অৱশ্যে সকলো ফেশ্বনৰ পোছাকে সকলোকে নুশুৱাবও পাৰে। সেয়েহে এই দিশটো মন কৰাটো বাঞ্চনীয়। ফেশ্বন যিয়েই নহওক সদাই এটা মানদণ্ড, সংস্কাৰ-সংস্কৃতি বজাই পোছাক নিৰ্বাচন কৰি পৰিধান কৰাৰ প্ৰয়োজন।

ওপৰত উল্লেখ কৰা সকলোবোৰ দিশ ভালকৈ বিবেচনা কৰি পোছাক নিৰ্বাচন কৰিলে সুফল পোৱা যাব অৰ্থাৎ মনে বিচৰা সুন্দৰ পোছাক এযোৰ ক্ৰয় কৰিবলৈ সক্ষম হ'ব। তোমালোকেও এতিয়াৰ পৰা এই দিশ বিবেচনা কৰি সুন্দৰ পোছাক ক্ৰয় কৰিব পাৰিবা।

## মূলভাৱ

- ✡ কাপোৰৰ নিৰ্বাচনৰ প্ৰভাৱ পেলোৱা কাৰকসমূহ হ'ল—ব্যক্তিত্ব, বয়স, ঋতু, দেহৰ গঠন ফেশ্বন আদি।
- ✡ বিভিন্ন ঋতুৰ বাবে বিভিন্ন কাপোৰ নিৰ্বাচন কৰাৰ প্ৰয়োজন।
- ✡ পোছাক পৰিধান কৰোতে সময় সাপেক্ষে কৰিব লাগে।
- ✡ ব্যক্তিৰ দেহৰ গঠনৰ লগত খাপখোৱা পোছাক নিৰ্বাচন কৰিব লাগে।

## প্ৰশ্নাৱলী

**১। অতি চমু উত্তৰৰ প্ৰশ্নসমূহ ঃ**

ক) শিশুৰ পোছাক কেনে হোৱা উচিত?

খ) প্ৰাক-প্ৰাথমিক স্তৰৰ শিশুৰ পোছাকৰ বিশেষত্ব কি?

গ) শীতল দিনৰ কাপোৰৰ উপযোগি ৰঙ এটাৰ নাম দিয়া।

**২। চমু উত্তৰৰ প্ৰশ্নসমূহ ঃ**

ক) ব্যক্তিৰ ব্যক্তিত্বত পোছাকৰ প্ৰভাৱৰ বিষয়ে উল্লেখ কৰা।

খ) শিশুৰ পোছাকৰ কাপোৰ নিৰ্বাচন কৰোতে বিবেচনা কৰা দিশবোৰ উল্লেখ কৰা।

**৩। দীঘল উত্তৰৰ প্ৰশ্নসমূহ ঃ**

ক) সাজ-পোছাকৰ নিৰ্বাচনৰ প্ৰভাৱ পেলোৱা কাৰকসমূহ কি?

খ) বয়স অনুযায়ী কাপোৰ আৰু পোছাক কি ধৰণেৰে নিৰ্বাচন কৰিবা লিখা।

গ) দেহৰ গঠন আৰু সময় সাপেক্ষে পোছাক কিয় নিৰ্বাচন কৰা হয়?

—OO—